নিয়মীয়া বাৰ্তা দেওবাৰ, ৯ মাৰ্চ ২০২৫

# দিছপুৰ মহাবিদ্যালয়ত আন্তৰ্জাতিক নাৰী দিৱস উদযাপন

মহানগৰ বাৰ্তা, ৮ মাৰ্চ ঃ আজি দিশপুৰ মহাবিদ্যালয়ৰ মহিলা কোষৰ উদ্যোগত আজি আন্তঃৰাষ্ট্ৰীয় নাৰী দিৱস উদযাপন কৰা হয়। মহাবিদ্যায়ৰ অধ্যক্ষ ড° নৱজ্যোতি বৰাৰ নেতৃত্বত, মহিলা কোষৰ আহ্বায়ক তথা অৰ্থনীতি বিভাগৰ অধ্যাপিকা ড° মনালিছা ভট্টাচাৰ্যৰ পৰিচালনাত অনুষ্ঠিত অনুষ্ঠানত মহিলা উদ্যোগী তথা ছিগনেচাৰ ইনষ্টিটিউটৰ অধ্যক্ষ ড° মধুমিতা শইকীয়া আৰু লোকসংস্কৃতিৰ সাধক বিনীতা দেৱীয়ে বিশিষ্ট অতিথি হিচাপে অংশগ্ৰহণ কৰে। আদৰণী ভাষণ দি মহাবিদ্যালয়ৰ অধ্যক্ষ ড° নৱজ্যোতি বৰাই নিজৰ ত্যাগ আৰু বলিদানেৰে নাৰী সত্তাক জাগ্ৰত কৰা সেই মহীয়সী নাৰীসকলক প্ৰণিপাত জনাই কয় যে প্ৰতিগৰাকী মহিলাৰ শিক্ষা আৰু সবলীকৰণৰ জৰিয়তেহে আমি সমাজখনক আগুৱাই নিব পাৰিম। সন্মানীয় অতিথি ড° মধুমিতা শইকীয়াই সকলো নাৰীক সকলোতকৈ আগত নিজৰ আৰ্থিক স্বাধীনতাক অগ্ৰাধিকাৰ দি সম্পত্তিৰ অধিকাৰৰ বাবে যুঁজিবলৈ আহ্বান জনায়। বিনিতা দেৱীয়ে একেদৰেই ছাত্ৰ-ছাত্ৰীসকলক সকলো বাধা আৰু কু-সংস্কাৰ ভংগ কৰি নিজৰ আবেগ আৰু সপোন অনুসৰণ কৰাৰ পৰা কেতিয়াও বিৰত নাথাকিবলৈ প্ৰেৰণা যোগায়। অসমীয়া বিভাগৰ সহকাৰী অধ্যাপিকা লীমা কলিতাই আঁতধৰা অনুষ্ঠানতেই ৰাজনীতি বিজ্ঞান বিভাগৰ সহকাৰী অধ্যাপিকা ড° শিখাজ্যোতি ডেকাৰ সম্পাদনাত প্ৰকাশ পোৱা 'Gender Contemporary Issues' গ্ৰন্থখনো উন্মোচন কৰা হয়। নাৰী দিৱসৰ লগত সংগতি প্ৰদান কৰি দৰ্শন বিভাগৰ সহযোগী অধ্যাপিকা ড° প্ৰণিতা শৰ্মাৰ গীতৰ লগতে অৰ্থনীতি বিভাগৰ সহকাৰী অধ্যাপিকা তুলিকা চৌধুৰীয়ে স্ব-ৰচিত কবিতা আবৃত্তি কৰে। আন্তৰ্জাতিক নাৰী দিৱস উপলক্ষে ছাত্ৰ-ছাত্ৰীসকলে হস্তনিৰ্মিত সামগ্ৰী আৰু থলুৱা খাদ্যসম্ভাৰৰ প্ৰদৰ্শনীৰ আয়োজন কৰে।